ভাৰতীয় জ্ঞান পৰম্পৰা কোষ
কে.চি দাস কমাৰ্চ কলেজ

INDIAN KNOWLEDGE SYSTEMS (IKS) CELL
KC DAS COMMERCE COLLEGE

# কোষৰ কৰ্মসূচী
# CELL ACTIVITIES

## ৰাষ্ট্ৰীয় আলোচনা-সত্ৰ
## National Seminar

৭ আৰু ৮ ফেব্ৰুৱাৰী, ২০২৫
Febraury 7th & 8th , 2025

# ভাৰতীয় জ্ঞান পৰম্পৰা:
# উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক বহুমুখী অভিগমন




যোৱা ৭ আৰু ৮ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে কে. চি. দাস কমাৰ্চ কলেজত ‘‘ভাৰতীয় জ্ঞান পৰম্পৰা: উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক বহুমুখী অভিগমন’’ অৰ্থাৎ “Indian Knowledge Systems: A Multidisciplinary Ahproach in Higher Education”-- শীৰ্ষক এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হৈ যায়। এই আলোচনা চক্ৰখনিত বিভিন্ন বিষয়ত ৭-খন আলোচনা সত্ৰ অনুষ্ঠিত হয়। এই সাতখন আলোচনা সত্ৰত কৰ্ণাটক, তেলেংগানা, পশ্চিমবংগ, বিহাৰ, উত্তৰ প্ৰদেশ, ত্ৰিপুৰা, মণিপুৰ, মেঘালয়, অসমকে ধৰি মুঠ ৯-খন ৰাজ্যৰ ৪৬-খন বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ মুঠ ৮৫-গৰাকী উপস্থাপনকাৰীয়ে ৬২-খন আলোচনা-পত্ৰ উপস্থাপন কৰে।

৭ ফেব্ৰুৱাৰী তাৰিখে মহাবিদ্যালয়খনৰ আলোচনা-কক্ষত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানত বীজ-ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ সদ্যনিযুক্ত সংযুক্ত অধ্যাপক শ্ৰীযুত দিগন্ত বিশ্ব শৰ্মাই। ভাষণ প্ৰসংগত শ্ৰীশৰ্মাই কয় যে, ‘‘মানুহৰ জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় আচাৰ- অনুষ্ঠান, নীতি- নিয়মৰ উপৰিও ৰাজধৰ্ম, গাৰ্হস্থ্য-ধৰ্ম, সন্ন্যাস-ধৰ্ম, ইতিহাস, দৰ্শন, চিকিৎসাবিদ্যা, আয়ুৰ্বেদ, উদ্ভিদবিদ্যাৰ প্ৰাথমিক জ্ঞান, যোগ, ব্ৰত আদি বিষয়ক জ্ঞান- বিজ্ঞানৰ চৰ্চা ভাৰতবৰ্ষত প্ৰাচীন কালৰেপৰা চলি আহিছে। নতুন শিক্ষা পদ্ধতিয়ে পৰম্পৰাগত এই জ্ঞান ভাণ্ডাৰক বিশেষ গুৰুত্ব প্ৰদান কৰিছে।’’ অনুষ্ঠানটিৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° হৃষীকেশ বৰুৱাই আদৰণী ভাষণ প্ৰসঙ্গত কয় যে ‘ৰাষ্ট্ৰীয় শিক্ষা নীতি’ অনুসৰি ‘ভাৰতীয় জ্ঞান পৰম্পৰা’ বিষয়ক জ্ঞান ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিবলৈ হ’লে প্ৰথমে শিক্ষকসকলে এই বিষয়ে অধ্যয়ন কৰিব লাগিব। সেই উদ্দেশ্য আগত ৰাখিয়েই উক্ত আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। উক্ত আলোচনা চক্ৰত ক্ৰমে আৰ্য বিদ্যাপীঠ কলেজ, সদৌ অসম সত্ৰ মহাসভা আৰু হৰে-কৃষ্ণ মুভমেণ্ট, গুৱাহাটীয়েও সহযোগী হিচাপে অংশগ্ৰহণ কৰিছে। তেওঁলোকৰ তৰফৰপৰা ক্ৰমে আৰ্য বিদ্যাপীঠ কলেজৰ অধ্যক্ষ ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য, সদৌ অসম সত্ৰ মহাসভাৰ ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক শ্ৰীযুত গৌতমানন্দ গোস্বামী আৰু হৰে-কৃষ্ণ মুভমেণ্টৰ উপ সভাপতি পণ্ডিত বিজয় প্ৰভুৱেও ভাষণ প্ৰদান কৰে।

তাৰপাছতে ৭ ফেব্ৰুৱাৰী তাৰিখে তিনিখন শৈক্ষিক সত্ৰ অনুষ্ঠিত হয়। এই সত্ৰ তিনিখনৰ প্ৰথমখনৰ বিষয় আছিল, 'শৈক্ষিক ক্ষেত্ৰত ভাৰতীয় জ্ঞান পৰম্পৰাৰ ভূমিকা' (Indian Knowledge in the Field of Education)। এই সত্ৰখনৰ সমল ব্যক্তি আছিল অনিতা বৰুৱা শৰ্মা কলেজৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী ড° মৰমী গোস্বামী। দ্বিতীয় সত্ৰখনৰ বিষয় আছিল, "হিচাপ বিদ্যা আৰু বাণিজ্য পৰিচালনা বিষয়ত ভাৰতীয় জ্ঞান পৰম্পৰা"। (Ancient Indian Knowledge on Accounting and Management)। এই সত্ৰখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক প্ৰশান্ত শৰ্মাদেৱে সমল ব্যক্তি হিচাপে পৰিচালনা কৰে। আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় স্বায়ত্তশাসিতৰ সহযোগী অধ্যাপক ড° সৌৰভ প্ৰাণ শৰ্মাদেৱে সমল ব্যক্তিৰূপে পৰিচালনা কৰা তৃতীয় সত্ৰখনিৰ বিষয় আছিল--- "হিচাপ বিদ্যা আৰু বাণিজ্য পৰিচালনা বিষয়ত ভাৰতীয় জ্ঞান পৰম্পৰা"। (Ancient Indian Science, Economics, and Laws)।

দ্বিতীয় দিনা প্ৰথম আৰু দ্বিতীয় সত্ৰখন সমান্তৰাল সত্ৰ ৰূপে অনুষ্ঠিত হয়। কনফাৰেন্স হল-২-ত প্ৰথমখন শৈক্ষিক সত্ৰৰ সমলব্যক্তি আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক বিমল মজুমদাৰ। এই সত্ৰখনিত অধ্যাপক মজুমদাৰে অসমীয়া আৰু বাংলা ভাষাৰ পত্ৰসমূহ সঞ্চালনা কৰে। তাৰ বিপৰীতে অনলাইন মাধ্যমত উপস্থিত থকা এলায়েন্স বিশ্ববিদ্যালয় বাংগালুৰুৰ সহকাৰী অধ্যাপক আৰু IKS-ৰ বিশেষজ্ঞ অথবা Master Trainer ড° অনুপমা তিৱাৰীয়ে হিন্দী আৰু ইংৰাজী ভাষাৰ গৱেষণা-পত্ৰৰ উপস্থাপন সঞ্চালনা কৰে। এই সত্ৰৰ বিষয় আছিল-- 'ভাৰতীয় সাহিত্যত সন্নিৱিষ্ট পৰম্পৰাগত জ্ঞান'। (Indigenous Knowledge in Indian Literature)।
এই সত্ৰৰ সমান্তৰালভাৱে অনুষ্ঠিত কনফাৰেন্স হল-১-ত অনুষ্ঠিত একে বিষয়ৰ শৈক্ষিক সত্ৰখনিৰ সঞ্চালক আছিল গোৱালপাৰা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ভানু বেজবৰা কলিতা।

দ্বিতীয় দিনাৰ তৃতীয়খন সত্ৰ যুটীয়াভাৱে সঞ্চালনা কৰে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক সুদেষ্ণা ভট্টাচাৰ্য আৰু উত্তৰ-পূৰ আঞ্চলিক শিক্ষা প্ৰতিষ্ঠান, শ্বিলঙৰ ড° তুলিকা দেই। এই সত্ৰৰ বিষয় আছিল-- 'সংস্কৃতি আৰু পৰম্পৰাত ভাৰতীয় জ্ঞান'। (Indian Knowledge in Culture and Traditions)।

দুয়োদিনৰে ভিতৰত শেষৰখন শৈক্ষিক সত্ৰৰ বিষয় আছিল--- ভাৰতীয় জ্ঞান পৰম্পৰাৰে সৈতে সম্পৰ্কিত দৰ্শন ভিত্তি। (Philosophical Foundation Connected to Indian Knowledge Systems)। এই সত্ৰখন যুটীয়াভাৱে সঞ্চালনা কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° হেমন্ত কুমাৰ কলিতা আৰু হৰে-কৃষ্ণ মুভমেণ্টৰ বিজয় প্ৰভুৱে।

এই আলোচনা-চক্ৰখনিত অনলাইন আৰু অফলাইন উভয় মাধ্যমতে আলোচনা-পত্ৰসমূহ উপস্থাপন কৰা হয়। আলোচনা-চক্ৰখনিত কে চি দাস কমাৰ্চ কলেজৰ সকলো অধ্যাপকে অংশগ্ৰহণ কৰে।

# Report

## National Seminar on Indian Knowledge Systems: A Multidisciplinary Approach in Higher Education




A national-level seminar on "Indian Knowledge Systems: A Multidisciplinary Approach in Higher Education" was held at KC Das Commerce College on the 7th and 8th of February, 2025. The seminar was organised by K.C. Das Commerce College Indian Knowledge Systems (IKS) Cell, with the Collaboration of Arya Vidyapeeth College (Autonomous) IKS Cell, Sadou Assam Satra Mahasabha, and Hare Krishna Movement, Guwahati. The seminar featured seven sessions on various topics, with a total of 85 presenters from 46 different educational institutions across Indian states of Karnataka, Telangana, West Bengal, Bihar, Uttar Pradesh, Tripura, Manipur, Meghalaya, and Assam. A total of 62 research papers were presented across these sessions.

The inaugural function took place on the 7th of February in the college conference hall. The keynote address was delivered by Shri Diganta Biswa Sharma, Professor of Practice in both Gauhati University and Dibrugarh University. In his speech, Shri Sharma highlighted the significance of traditional Indian knowledge systems, emphasizing the study and practice of Vajra-Dharma, Garhastha-Dharma, Sannyasa-Dharma, History, Philosophy, Medicine, Ayurveda, Botany, Yoga, etc, which have been integral to Indian civilization since time immemorial. He noted that the new education system in India places special importance on this traditional knowledge base. Dr. Hrishikesh Barua, the principal of KC Das Commerce College, delivered the welcome address. He emphasized that, according to the National Education Policy, teachers should first understand Indian Knowledge Traditions to teach them effectively. The seminar was organized with this goal in mind. Representatives from the collaborating institutions —Dr. Pradeep Kumar Bhattacharya, Principal of Arya Vidyapeeth College (Autonomous), Shri Gautamananda Goswami, General Secretary of Sadou Assam Satra Mahasabha, and Vijay Prabhu, Vice President of the Hare Krishna Movement—shared their remarks.

On the first day, three technical sessions were conducted. The first session, themed 'Indian Knowledge in the Field of Education', was chaired by Dr. Marami Gowasmi, HoD, Post Graduate Department of Education, Anita Baruah Sharma College of Education (NERIM). The second technical session focused on 'Indian Knowledge Tradition in Accounting and Management' and was chaired by Prof. Prashant Sharma, Department of Commerce of Gauhati University. The third session explored the theme 'Ancient Indian Science, Economics, and Laws' and was conducted by Dr. Saurabh Pran Sharma, Associate Professor, Department of Economics, Arya Vidyapeeth College Autonomous.

On the second day, the first and second technical sessions were held simultaneously as parallel sessions. The first session in Conference Hall-2 was chaired by Prof. Bimal Mazumdar, Department of Assamese, Gauhati University. He chaired the presentations of Assamese and Bengali papers, while Dr. Anupama Tiwari, Assistant Professor and Master Trainer in Indian Knowledge Systems at Alliance University, Bangalore, joined online to oversee the presentation of papers in Hindi and English. The theme of this session was 'Indigenous Knowledge in Indian Literature'. Meanwhile, the parallel session was conducted by Dr. Bhanu Bezbora Kalita, Associate Professor, Department of Assamese, Goalpara College.

The third session on the second day focused on 'Indian Knowledge in Culture and Traditions' and was jointly conducted by Prof. Sudeshna Bhattacharjya, Department of Sanskrit, Gauhati University and Dr. Tulika Dey, North East Regional Institute of Education, NCERT, Umiam, Shillong. The final technical session of the two-day seminar was centered on 'Philosophical Foundations Connected to Indian Knowledge Systems' and was chaired jointly by Dr. Hemant Kumar Kalita, retired Vice-Principal of Goalpara College, and Vijay Prabhu from Hare Krishna Movement.

The valedictory session of the two-day National Seminar concluded with the esteemed presence of distinguished scholars, Ravindra Chandrashri Palliyaguruge, Senior Lecturer in Political Science, Sabaragamuwa University, Sri Lanka, and Dr. Raktim Patar, Associate Professor, Centre for Historical Studies, Jawaharlal Nehru University. Dr. Hrishikesh Baruah, Principal of KC Das Commerce College, welcomed the honorable guests and expressed his satisfaction with the successful completion of the seminar. In his address, Mr. Palliyaguruge highlighted the historical relations between ancient India and Sri Lanka, while Dr. Patar shared his insights on Indian Knowledge Systems. Vijay Prabhu from the Hare Krishna Movement also shared his thoughts on the occasion. A comprehensive report on the seminar was presented by Debasish Buragohain, Assistant Professor, Department of Assamese, followed by the Vote of Thanks delivered by Dr. Swapna Smriti Mahanta, Head of the Department of Assamese, KC Das Commerce College.

The seminar facilitated both online and offline paper presentations, allowing for wider participation from scholars and researchers. The event was attended by all faculty members of KC Das Commerce College, contributing to a successful and insightful academic gathering on the significance of Indian Knowledge Systems in higher education.

# PHOTOS


NATIONAL SEMINAR
ON
INDIAN KNOWLEDGE SYSTEMS:
A MULTIDISCIPLINARY APPROACH
IN HIGHER EDUCATION


NO SKILL, NO EMPLOYMENT
CONTROL ROOM
NATIONAL SEMINAR
VALEDICTORY
GPS Map Camera
Guwahati, Assam, India
77c, Horen Kalita Rd, Kalimandir, Tokobari Satra, Guwahati,
Assam 781008, India
Lat 26.174212° Long 91.741892°
08/02/25 04:34 PM GMT +05:30
Google

# PHOTOS


NATIONAL SEMINAR ON
INDIAN KNOWLEDGE SYSTEMS :
NO SKILL, NO EMPLOYMENT
CONTROL
GPS Map Camera
Google
Guwahati, Assam, भारत
77c, Horen Kalita Rd, Kalimandir, Tokobari Satra, Guwahati, Assam 781008, भारत
Lat 26.174281° Long 91.741949°
07/02/25 11:20 AM GMT +05:30


NATIONAL SEMINAR
GPS Map Camera
Google
Guwahati, Assam, India
77c, Horen Kalita Rd, Kalimandir, Tokobari Satra, Guwahati, Assam 781008, India
Lat 26.174203° Long 91.741894°
07/02/25 10:11 AM GMT +05:30



# PHOTOS


National Seminar on
Indian Knowledge Systems :
A Multidisciplinary Approach in Higher Education






GPS Map Camera
Guwahati, Assam, भारत
77c, Horen Kalita Rd, Kalimandir, Tokobari Satra, Guwahati, Assam 781008, भारत
Lat 26.174245° Long 91.741978°
07/02/25 12:27 PM GMT +05:30
Google